# আমাৰ মৌলিক কৰ্তব্য

## TEXTUAL QUESTIONS AND ANSWERS

**প্ৰশ্ন ১: চমু উত্তৰ দিয়া –**

**( ক ) ভাৰতৰ নাগৰিকৰ মৌলিক কৰ্ত্তব্যসমূহ কোন চনৰ কোনটো সংশোধনী মতে প্ৰদান কৰিছে ?**

**উত্তৰঃ** ১৯৭৬ চনৰ ৪২ তম সংবিধান সংশোধনী আইনৰ জৰিয়তে ভাৰতৰ নাগৰিকসকলক মৌলিক কৰ্ত্তব্য প্ৰদান কৰিছে ।

**( খ ) কৰ্তব্য বুলিলে কি বুজা ?**

**উত্তৰঃ** কৰ্তব্যৰ অভিধানিক পৰিপুৰক শব্দ হ'ল কৰণীয় কাম । ভাৰতৰ নাগৰিকৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ আৰু সুখৰ জীৱন – যাপনৰ কাৰণে সংবিধানে কিছুমান অধিকাৰ প্ৰদান কৰিছে । এই অধিকাৰসমুহ উপভোগ কৰাৰ লগে লগে নাগৰিক সকলে ৰাষ্ট্ৰৰ প্ৰতি কিছুমান দায়িত্ব পালন কৰিবলগীয়া হয় । সেয়েই কৰ্তব্য বা মৌলিক কৰ্ত্তব্য । প্ৰকৃতাৰ্থত অধিকাৰ আৰু কৰ্ত্তব্য পৰস্পৰে পৰস্পৰৰ পৰিপূৰক ।

**( গ ) ৰাষ্ট্ৰীয় পতাকা , ৰাষ্ট্ৰীয় সংগীত আদিক কিয় আমি সন্মান কৰিব লাগে ।**

**উত্তৰঃ** এখন দেশৰ ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীত হৈছে দেশখনৰ সন্মানৰ মূল আধাৰ । সেয়ে প্ৰত্যেক দেশৰ ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতক সন্মান জনাব লাগে ।

**প্ৰশ্ন ২: সংবিধান উল্লেখিত ৫ বিধ কৰ্তব্যৰ বিষয়ে লিখা ।**

**উত্তৰঃ** সংবিধানে আমাক ব্যক্তিত্বৰ পূৰ্ণ বিকাশ আৰু সুখৰ জীৱন যাপনৰ কাৰণে কিছুমান মৌলিক অধিকাৰ দিছে । লগে লগে আমাক কিছুমান কৰণীয় কাম বা কৰ্তব্যও দিছে ।

মুঠ এঘাৰটা কৰ্তব্যৰ ভিতৰত তলত ৫ বিধ কৰ্তব্যৰ উল্লেখ কৰা হ'ল ।

১। সংবিধান মানি চলা , ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় প্ৰতিক প্ৰতি শ্ৰদ্ধা জনোৱা ।

২। ভাৰতৰ ঐক্য আৰু সংহতি ৰক্ষা কৰা ।

৩। মাতৃভূমিক ৰক্ষা কৰা আৰু প্ৰয়োজন হলে দেশৰ প্ৰতি সেৱা আগবঢ়োৱা ।

৪। জনসাধাৰণৰ মাজত ভাতৃত্ববোধ গঢ়ি তোলা , নাৰীৰ মৰ্যাদা হানিকৰ আচৰণ ত্যাগ কৰা । আৰু

৫। আমাৰ সংস্কৃতি আৰু মূল্যবান ঐতিহ্যক সন্মান দিয়া আৰু ৰক্ষা কৰা।

**প্ৰশ্ন ৩: এন . চি . চি আৰু স্কাউট গাইডৰ দ্বাৰা বিকশিত হ'ব পৰা গুণ সমূহৰ বিষয়ে লিখা ।**

**উত্তৰঃ** এন . চি . চি আৰু স্কাউট গাইডৰ দ্বাৰা শিশুসকলৰ মনত দেশসেৱাৰ মনোভাৱ গঢ়ি উঠে , দেশ প্ৰেমৰ ভাব জাগ্ৰত হয় , শৃঙ্খলাবদ্ধ , ধৈৰ্য আৰু সহানুভূতিৰ দৰে মহান গুণ বিলাক বিকশিত হয়।

**প্ৰশ্ন ৪: প্ৰাকৃতিক পৰিবেশ ৰক্ষা কৰিবলৈ আমি কি কৰা উচিত ?**

**উত্তৰঃ** প্ৰাকৃতিক পৰিবেশ অক্ষুন্ন ৰাখি গোলকীয় উষ্ণতা ( Global Warming ) বৃদ্ধি ৰোধ কৰা ; পাৰিপাৰ্শ্বিক ভাৰসাম্যতা ( Ecological Balance ) ৰক্ষা কৰা আৰু প্ৰাকৃতিক সম্পদসমূহ , যেনে বন , হ্ৰদ , নদী , জলাশয় আদিৰ ৰক্ষণাবেক্ষণ দিয়া আৰু তাৰ উন্নয়নৰ ব্যৱস্থা , জীৱিত প্ৰাণীৰ প্ৰতিপালন আৰু সুৰক্ষা দিয়াতো আমাৰ সকলোৰে কৰ্ত্তব্য । আজি-কালি পাহাৰ কাটি , দ পিতনিবোৰ পুতি ঘৰ সজাৰ ফলত বৰষুণ দিলেই ভূমিস্থলন হোৱা দেখা যায় । এনে হোৱাৰ ফলত বহুতো লোকে প্ৰাণ হেৰুৱায় , বহুতো ঘৰ – দুৱাৰ ধ্বংস হয় । পাহাৰৰ গছ – গছনি কাটি টহিলং কৰাৰ ফলত বহুত বনৰীয়া জন্তুৱে নিজৰ ঘৰ হেৰুৱাইছে আৰু আহাৰ বিচাৰি আহি জনবসতি অঞ্চলত আতংকৰ সৃষ্টি কৰিছে । ফলত মানুহ , জীৱ – জন্তু সকলোৰে জীৱনলৈ আন্ধাৰ নামি আহিছে । সেয়ে সকলোৰে মঙ্গল কামনাৰে আমি প্ৰাকৃতিক পৰিবেশ ৰক্ষা কৰা উচিত ।

**প্ৰশ্ন ৫: শান্তি প্ৰতিষ্ঠা কৰিবৰ কাৰণে পাঁচটা উপায় উল্লেখ কৰা ।**

**উত্তৰঃ** অহিংসা নীতিৰে জগত জিনা মহাপুৰুষ মহাত্মা গান্ধীৰ দেশৰ শান্তিপ্ৰিয় মানুহ আমি । সেয়ে মৰম – স্নেহ , দয়া , সহানুভূতি , সহনশীলতা আদি গুণৰ বিকাশ সাধি আমি দেশত শান্তিৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব ।

শান্তিৰ পৰিবেশ প্ৰতিষ্ঠা কৰিবৰ বাবে কিছুমান উপায় আছে। তলত ইয়াৰে পাঁচটা উল্লেখ কৰা হ’ল।

১। শান্তি প্ৰতীক আঁকা।

২। শান্তি বিষয়ক কবিতা , গীত , গল্প আদি লিখা।

৩। শান্তি বিষয়ক বাটৰ নাট প্ৰস্তুত কৰি ঠায়ে ঠায়ে প্ৰদৰ্শন কৰা।

৪ শান্তিৰ শোভাযাত্ৰা উলিওৱা। আৰু

৫। শান্তিৰ বিষয়ত শ্লোগান দিয়া।

**প্ৰশ্ন ৬: খালী ঠাই পূৰ কৰাঃ**

( ক ) ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাোতে আমি ___ গাব লাগে।

**উত্তৰঃ** ৰাষ্ট্ৰীয় সংগীত।

( খ ) ১৯৭৬ চনৰ ___ তম সংবিধান সংশাোধনৰ জৰিয়তে ভাৰতৰ নাগৰিকৰ ১০ বিধ মৌলিক কৰ্তব্যৰ কথা উল্লেখ আছে।

**উত্তৰঃ** ৪২ তম।

( গ ) ৬-১৪ বছৰৰ বয়সৰ শিশুক ___ লাভৰ সুবিধা প্ৰদান কৰিব লাগে।

**উত্তৰঃ** শিক্ষা।

( ঘ ) ভাৰতৰ সংবিধানত মুঠ ___ টা নাগৰিকৰ কৰ্তব্য উল্লেখ আছে।

**উত্তৰঃ** ১১ টা।

**প্ৰশ্ন ৭: শুদ্ধ উত্তৰ বাচি উলিওৱাঃ**

( ক ) ৰাষ্ট্ৰীয় সংগীত ৫২ চেকেণ্ডৰ ভিতৰত শেষ কৰিব লাগে / নালাগে।

**উত্তৰঃ** লাগে ।

( খ ) গছ – গছনি কাটিলে বানপানী ৰা◌েধ কৰিব পাৰি / না◌েৰাৰি ।

**উত্তৰঃ** না◌েৰাৰি ।

( গ ) শান্তি প্ৰতিষ্ঠাৰ কাৰণে হিংসাত্মক কাৰ্য কৰিব লাগে / নালাগে ।

**উত্তৰঃ** নালাগে ।

( ঘ ) আমাৰ কৰ্ত্তব্যসমূহ ন্যায়ালয়ৰ ওচৰত সাব্যস্ত কৰিব পাৰি / না◌েৰাৰি।

**উত্তৰঃ** না◌েৰাৰি ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১: চমু উত্তৰ দিয়া –**

( ক ) ভাৰতীয় জাতীয় পতাকাখন প্ৰস্তুত কৰণৰ অনুপাত কি ?

**উত্তৰঃ** ৩ : ২ অৰ্থাৎ দীঘল ৩ ফুট হলে বহলে ২ ফুট ।

( খ ) আমাৰ জাতীয় পতাকাখন কি কাপা◌েৰেৰে তৈয়াৰ কৰা হয় ?

**উত্তৰঃ** খদ্দৰ কাপা◌েৰেৰে ।

( গ ) ভাৰতৰ ত্ৰিৰঙ্গা পতাকাখন জাতীয় পতাকা ৰূপে কেতিয়া স্বীকৃতি লাভ কৰে ?

**উত্তৰঃ** ১৯৪৭ চনৰ ২২ জুলাই তাৰিখে ।

( ঘ ) মৌলিক কৰ্ত্তব্যসমূহ সংবিধানত কেতিয়া অন্তৰ্ভুক্ত কৰা হয় ?

উত্তৰ ১৯৭৬ চনত ।

( ঙ ) ভাৰতবৰ্ষত নাৰীক কিহৰ লগত তুলনা কৰা হয় ?

**উত্তৰঃ** দেৱীৰ লগত ।

( চ ) আন্ধাৰ বিনাশী পােহৰ বিলােৱা মাধ্যম কি ?

**উত্তৰঃ** শিক্ষা ।

( ছ ) অন্ধ বিশ্বাসৰ ফলশ্ৰুতিত বৰ্তমানাে আমাৰ সমাজত চলি থকা ব্যৱস্থাটো কি ?

**উত্তৰঃ** ডাইনী হত্যা ।

( জ ) ২০০২ চনত নাগৰিকৰ বাবে সংযাােজন কৰা কৰ্ত্তব্যটো কি ?

**উত্তৰঃ** ৬ ৰ পৰা ১৪ বছৰৰ শিশুক পিতৃ – মাতৃ আৰু অভিভাৱকে শিক্ষা লাভৰ সুবিধা প্ৰদান কৰা।

( ঝ ) পাহাৰ কাটিলে কি হয় ?

**উত্তৰঃ** ভূমিস্খলন হয় ।

( ঞ ) ভাৰতবৰ্ষত বৰ্তমানে নাগৰিকে পালন কৰিবলগীয়া কৰ্ত্তব্য কেইটা ?

**উত্তৰঃ** ১১ টা ।